প্ৰেছ বিজ্ঞপ্তি
১৪ মাৰ্চ, ২০১৯

**আৰ বি আয়ে ঘৰুৱা প্ৰণালীয়ভাৱে গুৰুত্বপূৰ্ণ বেংকবোৰৰ (D-SIBs)ৰ ২০১৮ তালিকা মুকলি কৰিছে**

যোৱা বছৰৰ একেদৰে বষ্টেলীবন্ধন সংৰচনাৰ অন্তৰ্গত SBI, ICICI আৰু HDFC বেংক ঘৰুৱা প্ৰণালীয়ভাৱে গুৰুত্বপূৰ্ণ বেংক (D-SIBs) হৈ থাকে। D-SIBsৰ বাবে অতিৰিক্ত উমহেতীয়া টয়িৰে-1 (CET1) আৱশ্যকিতাখিনি ১ এপ্ৰিল,২০১৬ৰ পৰা ইতিমধ্যে পৰ্যায়ক্ৰমিক কৰা হৈছে আৰু ১ এপ্ৰিল,২০১৯ৰ পৰা সম্পূৰ্ণকৈ কাৰ্যকৰী হব। অতিৰিক্ত CET1 আৱশ্যকিতাখিনি মূলধন সংৰক্ষণ বাফাৰৰ ওপৰঞ্চি হব।

D-SIBsৰ শহেতীয়া তালিকাখন নিম্নোক্ত ধৰণৰ-

| বাকেট | বেংক | বিত্তীয় বৰ্ষ ২০১৮-১৯ৰ বাবে বিপদশংকা ভাৰপ্ৰাপ্ত সম্পদ **(RWAs)**ৰ শতাংশ হিচাপে অতিৰিক্ত উমহৈতীয়া ইকুইটী টয়িৰে**1** আৱশ্যকিতা | ১ এপ্ৰিল,২০১৯ৰ পৰা প্ৰযোজ্য (পৰ্যায় ক্ৰমিক ব্যৱস্থা মতে) অতিৰিক্ত উমহৈতীয়া ইকুইটী টয়িৰে**1** আৱশ্যকিতা |
|---|---|---|---|
| ৫ | - | ০.৭৫ শতাংশ | ১ শতাংশ |
| ৪ | - | ০.৬০ শতাংশ | ০.৮০ শতাংশ |
| ৩ | ষ্টেট বেংক অব ইণ্ডিয়া | ০.৪৫ শতাংশ | ০.৬০ শতাংশ |
| ২ | - | ০.৩০ শতাংশ | ০.৪০ শতাংশ |
| ১ | আই চি আই চি আই বেংক, এইছ ডি এফ চি বেংক | ০.১৫ শতাংশ | ০.২০ শতাংশ |

**পটভূমি**

ৰিজাৰ্ভ বেংকে ঘৰুৱা প্ৰণালীয়ভাৱে গুৰুত্বপূৰ্ণ বেংকবোৰৰ (D-SIBs) বিষয়টো চোৱাচিতা কৰিবৰ কাৰণে পৰিকাঠামোখন ২২ জুলাই, ২০১৪ত জাৰি কৰিছিল। D-SIBs পৰিকাঠামো মতে D-SIBs হিচাপে মনোনীত বেংকবোৰৰ নাম ২০১৫ৰ পৰা আৰম্ভ কৰি ৰিজাৰ্ভ বেংকে প্ৰকাশ কৰিব লাগে আৰু সিবিলাকৰ প্ৰণালীয় গুৰুত্বৰ সাফল্যাংকৰ (SISs) ভিত্তিত সমূচিত আবষ্টেনীত বেংকবোৰ স্থাপন কৰিব লাগে। কোনটো D-SIBsত স্থান পাইছে তাৰ ভিত্তিত একোটা উমহৈতীয়া ইকুইটী আৱশ্যকিতা প্ৰয়োগ কৰিব লাগে। ভাৰতত শাখা থকা কোনো বিদেশী বেংক গোলকীয় প্ৰণালীয়ভাৱে গুৰুত্বপূৰ্ণ বেংক (G-SIB) হলে, তেনে বেংকে G-SIB হিচাপে, ভাৰতত তাৰ বিপদশংকা

ভাৰপ্ৰাপ্ত সম্পদ (RWSA) অনুপাতে ভাৰতত ওপৰঞ্চি CET1 মূলধনী ওপৰ দিয়া অতিৰিক্ত CET1 বাফাৰ (ৰাশি)ক সংবদ্ধ গোলকীয় গ্ৰুপ বুকছ অনুযায়ী ভাৰত RWA ৰে পূৰণ কৰি মুঠ সংবদ্ধ গোলকীয় গ্ৰুপ RWAৰে হৰণ কৰি পোৱা ৰাশি ৰাখিব লাগিব।

বৰ্দ্ধিত মূলধনী আৱশ্যকিতাখিনি পৰ্যায়ক্ৰমে ১ এপ্ৰিল, ২০১৬ৰ পৰা প্ৰযোজ্য হৈছে আৰু ১ এপ্ৰিল, ২০১৯ৰ পৰা সম্পূৰ্ণকৈ কাৰ্যকৰী হব। চাৰি বছৰীয়া পৰ্যায়ক্ৰমিক অৱধিত বিভিন্ন বাকেটৰ বাবে অতিৰিক্ত উমহৈতীয়া ইকুইটী আৱশ্যকিতাবোৰ নিম্নোক্তধৰণৰ –

| বাকেট | ১ এপ্ৰিল, ২০১৬ | ১ এপ্ৰিল, ২০১৭ | ১ এপ্ৰিল,২০১৮ | ১ এপ্ৰিল, ২০১৯ |
|---|---|---|---|---|
| ৫ | ০.২৫ শতাংশ | ০.৫০ শতাংশ | ০.৭৫ শতাংশ | ১.০০ শতাংশ |
| ৪ | ০.২০ শতাংশ | ০.৪০ শতাংশ | ০.৬০ শতাংশ | ০.৮০ শতাংশ |
| ৩ | ০.১৫ শতাংশ | ০.৩০ শতাংশ | ০.৪৫ শতাংশ | ০.৬০ শতাংশ |
| ২ | ০.১০ শতাংশ | ০.২০ শতাংশ | ০.৩০ শতাংশ | ০.৪০ শতাংশ |
| ১ | ০.০৫ শতাংশ | ০.১০ শতাংশ | ০.১৫ শতাংশ | ০.২০ শতাংশ |

D-SIB পৰিকাঠামোত ধাৰ্য ৰীতিৰ ভিত্তিত আৰু ৩১ মাৰ্চ, ২০১৫ আৰু ৩১ মাৰ্চ, ২০১৬ত বেংকবোৰৰ পৰা সংগৃহীত তথ্যৰ ভিত্তিত, ৰিজাৰ্ভ বেংকে ভাৰতীয় ষ্টেট বেংক আৰু ICICI বেংক লিমিটেডক যথাক্ৰমে ৩১ আগষ্ট, ২০১৫ত আৰু ২৫ আগষ্ট,২০১৬ত D-SIBs হিচাপে ঘোষণা কৰে। ৩১ মাৰ্চ, ২০১৭ পৰ্যন্ত বেংকবোৰৰ পৰা সংগৃহীত তথ্যৰ ভিত্তিত ৰিজাৰ্ভ বেংক, ICICI বেংক লিমিটেডে HDFC বেংক লিমিটেডক D-SIBs হিচাপে ঘোষণা কৰে। ৩১ মাৰ্চ,২০১৮ পৰ্যন্ত বেংকবোৰৰ পৰা পোৱা তথ্যবোৰৰ ভিত্তিত বৰ্তমানৰ শহেতীয়া তথ্যখিনি সন্নিৱিষ্ট।

অধিকন্তু, D-SIB পৰিকাঠামোৰ আৱশ্যকিতাখিনি হল যে বেংকবোৰৰ প্ৰণালীয় গুৰুত্ব নিৰূপণ আৰু D-SIBs হিচাপে চিনাক্তকৰণৰ মূল্যায়ন ৰীতি নিয়মীয়া ভিত্তিত পৰ্যালোচনা কৰি থকা হব। অৱশ্যে এনে পুনৰীক্ষণ তিনি বছৰত কমেও এবাৰকৈ হব। বৰ্তমানৰ পুনৰীক্ষণ আৰু আন্তঃদেশীয় প্ৰথাৰ বিশ্লেষণৰ বলেকি বৰ্তমান প্ৰচলিত পৰিকাঠামোৰ সালসলনি প্ৰযোজ্য নহয়।

জোছ জে কাট্টুৰ

প্ৰেছ বিজ্ঞপ্তি - ২০১৮-১৯/২১৯১ মুখ্য মহা প্ৰবন্ধক